**আনন্দৰাম ঢেকিয়াল ফুকন**
**(১৮২৯-১৮৫৯)**

# সোনতকৈ শ্ৰম ভাল

যেতিয়া দক্ষিণামেৰিকা দেশলৈ সোন পাবৰ আশায় অনেক মানুহ গৈচিল তেতিয়া পিজাৰো নামেৰে এটা স্পানিয়া দেশৰ মানুহেও আনৰ নিচিনাকৈ কপালৰ মাহাত্ম্য বুজিবৰ মন কৰিলে, কিন্তু তাৰ এটা ডাঙ্গৰ ভায়েকক বৰ মৰম কৰিছিল দেখি সি তাৰ তলৈ গৈ তাৰ অভিলাষ জনাই লগত জাবলৈ প্ৰাৰ্থনা কৰি কলে বোলে আমি যিখিনি সোন পাওঁ তাৰ আদ খিনি তুমি নিবা।

পিজাৰোৰ ককায়েক এলঞ্জোৰ বৰ সন্তোষী স্বভাব আচিল আৰু বৰ বিবেচক আচিল, তেওঁ এই অভিলাষ ভাল নেপাই নানা বিপদৰ কথা আৰু সোন পোৱা নোপোৱাৰ অনিশ্চয়ৰ কথা কৈ ভায়েকক নেজাবলৈ পৰামৰ্শ দিলে।

কিন্তু তেওঁৰ পৰামৰ্শ পিজাৰোৱে নুশুনা দেখি তেঁও তাৰ লগত জাবলৈ মান্‌তি হল, কিন্তু এই কথা কলে বোলে মোক সোনৰ ভাগো নালাগে, আৰু আন একোকে নালাগে অকল মোৰ বয় বস্তু খনি তোমাৰ জাহাজত নিবলৈ দিবা।

পিচে পিজাৰোৱে তাৰ যি আচিল সকলোকে বেচি এখন জাহাজ কিনি আৰু আন২ কেতবোৰ সোন পাবলৈ আশা কৰা মানুহে সৈতে যাত্ৰা কৰিলে, কিন্তু এলঞ্জোৱে হলে অকল নাঙ্গল, কোৰ, কুঠাৰ, ধানৰ বিধান, আৰু নানা বিধৰ সাকৰ গুটি ইত্যাদি খেতিৰ সামগ্ৰিত বাজে আন একোকে নললে। পিজাৰোৱে এই বোৰ বস্তু প্ৰবাসলৈ নিব নলগা বুলি পেটে ককায়েকৰ কথাত হাঁহি তেওঁক মুখে একো নুবুলিলে।

বৰ সুন্দৰ বতাহ পাই সিহঁত কিচু দিন গৈ সোন পোৱা ঠাইৰ ওচৰত এঠাইত জাহাজ লগালে গৈ।

তাৰে পৰা সি সোন পাবলৈ আশা কৰিচিল তাকে খানিবলৈ আৰু আউটিবলৈ নানা বিধৰ অস্ত্ৰ-শস্ত্ৰ ললে, আৰু কেতবোৰ মানুহ কুলি ধৰিলে; কিন্তু এলঞ্জোৱে কেইটা মান মেৰ চাগ, চাৰিটা বলধ আৰু তাহাঁতক বাটত খুৱাবলৈ দ্ৰব্যহে কিনি ললে।

এই বোৰ লৈ জাহাজ মেলি সিবিলাকে নিৰ্ব্বিঘ্নে আমেৰিকা দেশ পালে গৈ। তাতে এলেঞ্জোৱে ভায়েকক কলে বোলে ময় তোমাৰ উপকাৰ কৰিবলৈহে লগ লই আহিচোঁ, এতেকে ময় তীৰৰ কোথৰত গৰু মানুহ লৈ থাকোঁ, তুমি সোন বিচাৰাগৈ; আৰু তোমাৰ যিমান আশা তিমান পালে আকৌ তুমিয়ে সৈতে স্পানিয়ালৈ জাম।

পিজাৰো এই কথাত সোন বিচাৰিবলৈ ওলাল, কিন্তু ভায়েকৰ কথাত ঘৃণা কৰি তাৰ লগৰিয়া বোৰক কলে বোলে ময় ভাবিচিলোঁ যে মোৰ ককাই জ্ঞানৱন্ত, স্পানিয়া দেশতো সকলে তেনে হেন ভাবিচিল, কিন্তু এতিয়া দেখো তাৰ বিপৰীত হল। ইয়াত আহি তেওঁ বলধ গৰুৰে ৰঙ্গ কৰিব খুজিচে, তেওঁ যেন আপোনাৰ ঘৰতহে থাকি আন একো নকৰাকৈ খেতি কৰিব। কিন্তু আমি আমাৰ সময়েৰে কি কৰিব লাগে জানো, এতেকে লৰাহঁত বলা, আমাৰ যদি সুকপাল হয় তেন্তে জিয়াই থকা কেই দিন ধনৱন্ত হৈ থাব পাৰিম।

এই কথাত সকলোৱে প্ৰশংসা কৰি তেওঁ যলৈকে নিয়ে তালৈকে জাবৰ প্ৰতিজ্ঞা কৰিলে, কিন্তু স্পানিয়া দেশৰ এটা বুঢ়া মানুহে মুৰ জোকাৰি কলে বোলে তুমি তোমাৰ

ককাইএৰাক যেনে অজ্ঞান পাতিচা তেনে হব নাপাই।

পিচে সিহঁত হাবিয়ে বনে বাটে অবাটে পৰ্ব্বত নৈ চেৰাই ৰদে বৰষুন ভালেমান ঠাই ফুৰিলে, কিন্তু এই বোৰ দুখকো দুখ নুবুলি সোন চাই২ চুঁচৰি জাব পাৰিলে মাথোন।

ইহঁতে ইফালে সোন বিচাৰিব লাগিচিল, সিফালে এলঞ্জোৱে কি হব তাক আগেই জানি এডোখৰ ভাল চাই মাটি বিচাৰি লৈ লগত অনা গৰু আৰু মানুহেৰে হাল বাই চাহ কৰিলে। পিচে সি তাতে লগত অনা গুটি আৰু আলু ইত্যাদি বই অনেক শস্য পালে। মেৰ চাগ বোৰ যে আনিচিল তাক সাগৰৰ তীৰৰ এখন পথাৰত চৰোৱাত গাজে পতি দুটাকৈ পোৱালি হল; ইয়াত বীজে পিজাৰো উভতি অহা ।৬৩। লৈকে অনেক পুৰুষাৰ্থ কৰি ভালেমান খাদ্য দ্ৰব্য গোটাই থলে।

পিজাৰো উভতি আহিলত ককাইয়েকে অতি আদৰকৈ আনি কাৰ্য্য কেনেকৈ সিদ্ধি কৰিলে তাৰে কথা সুধিলে, তাতে সি কলে বোলে আমি ভালেমান সোন পাইচোঁ। কিন্তু আমাৰ লগত অনেক মানুহ মৰিচে আৰু যি কেইটা আচোঁ সিও খাবলৈ নেপাই মৰিব লগা হৈচোঁ, আজি দু দিনৰ পৰা গচৰ চাল আৰু ফল মূলত বাজে আন একো খোৱা নাই, এতেকে মোৰ শীঘ্ৰে খাবলৈ দিয়া।

এলঞ্জোৱে অতি নম্ৰ হৈ কলে বোলে আমি যেতিয়া আহোঁ তেতিয়া কাতো কেন্তে একো নোখোজোঁ বুলিচিলোঁ, তুমি শ্ৰম কৰি সি সোন পোৱা তাকো ময় খোজা নাচিলোঁ, এতিয়া ময় শ্ৰম কৰি উপাৰ্জন কৰা বস্তু যে তুমি খোজা ই বৰ আচৰিত; কিন্তু তুমি মোৰ খাবৰ দ্ৰব্যে সৈতে যদি তোমাৰ সোন সলোৱা তেন্তে ময় তোমাক খাবলৈ দিব পাৰিব পাৰোঁ।

পিজাৰোৱে এই কথা বৰ নিৰ্ম্মৰমিয়াল হেন ভাবিও ভোকত সেই কথাতে মান্তি হল কিন্তু খাবৰ দ্ৰব্যৰ সলনি এলঞ্জোৱে ইমান সোন নিলে যে অলপ দিনৰ মূৰতে তাৰ এটাই খনি সোনেই ঢুকাল।

পিচে এলেঞ্জোৱে যি জাহাজত আহিচিল আকৌ উভতি জাবলৈ কলত পিজাৰোৱে বৰ খঙ্গকৈ কলে বোলে তুমি যেতিয়াই ময় শ্ৰমকৈ যি আনিচিলোঁ তাৰ আটাই খনিকে নিএ নে নিৰ্ম্মৰমিয়াল হলা তেতিয়াই তুমি নোহোৱা কৈ জাম, আৰু তোমাৰ নিচিনা এনে নিৰ্দয় ভাইয়ে সৈতে জোৱাতকৈ এই বনত শুকাই মৰাই ভাল।

এলঞ্জোৱে এই কথাত খঙ্গ নকৰি ভায়েকক অতি আদৰকৈ সাপটি মাৰি এই কলে বোলে হে মোৰ পিজাৰো তুমি ইমান আপদত পৰি ইমান শ্ৰমকৈ অনা বস্তু ময় স্বৰূপকৈ নিম বুলি পতিয়াইচানে? মোৰ প্ৰিয় ভাইৰ প্ৰতি এনে নিম্মমিয়াল হোৱাতকৈ পৃথিৱীৰ এটাই সোনেই যদি গুচে তেওঁ ভাল। কিন্তু তোমাৰ ধনলৈ ইমান লোভ দেখি সেই দোষ সংশোধন কৰি তোমাৰ উপকাৰ কৰিবলৈ ইচ্ছা কৰিচিলোঁ, তুমি এতিয়া শিকিলা যে শ্ৰম আৰু ভবিষ্যদ্বিবেচনা তুমি ঘৃণা কৰিচিলা সেয়েই নহলে তোমাক শুকাই মৰাৰ পৰা যি সোন আনিচা সি ৰাখিব নোৱাৰিলে হঁতন, এতেকে তোমাৰ ধন লৈ জোৱা, আগলৈ তাক যি ৰূপে ব্যৱহাৰ কৰিব পাই তাকো জানিলা।

পিজাৰোৱেও ককায়েকৰ মৰমত বৰ আচৰিত হৈ দেখি শিকি জানিলে যে সোনতকৈ শ্ৰম ভাল।

পিচে সিবিলাকে স্পানিয়া দেশ আকৌ নিৰ্ব্বিঘ্নে পালেগৈ, বাটত পিজাৰোৱে ককায়েকক সদাই তাৰ আদখিনি ধন দিব খুজিচিল কিন্তু তেঁও এই সমিধান দিচিল বোলে ময় সোন নোহোৱাকৈ মোৰ আহাৰ মিলাব পাৰিম।

০০০